জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭২/২০২১

# তামুলপুৰ সমষ্টিৰ বিধায়ক, বিশিষ্ট শিক্ষাবিদ লেহোৰাম বড়োৰ পৰলোকপ্ৰাপ্তিত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

## মন্ত্ৰীদ্বয় অশোক সিংঘাল, ইউ জি ব্ৰহ্মক ৰাজ্য চৰকাৰৰ হৈ অন্ত্যেষ্টিক্ৰিয়াত উপস্থিত থাকি শেষ শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে

## চৰকাৰী মৰ্যাদাৰে প্ৰয়াত বিধায়ক গৰাকীৰ শেষকৃত্য সম্পন্ন কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৯ মে' ঃ** তামুলপুৰ সমষ্টিৰ বিধায়ক, বিশিষ্ট শিক্ষাবিদ লেহোৰাম বড়োৰ পৰলোকপ্ৰাপ্তিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোক বাৰ্তা যোগে মুখ্যমন্ত্ৰীয়ে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু আস্থা সহকাৰে আমাৰ সমাজ জীৱনলৈ প্ৰয়াত বিধায়ক গৰাকীয়ে যি অৰিহণা আগবঢ়াই গ'ল, সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী ৰাজনীতিবিদ হিচাপে তেখেতে আৰ্থ-সামাজিক ক্ষেত্ৰখনলৈ যথেষ্ট বৰঙণি যোগাই গৈছে। আনহাতে এগৰাকী শিক্ষাবিদ হিচাপেও বড়োএ অঞ্চলটোৰ মানৱ সম্পদ বিকাশৰ দিশত উল্লেখযোগ্য অৰিহনা আগবঢ়াই গৈছে। ভাষা-সাহিত্যৰ উত্তৰণৰ বাবে তেখেতে অৱদান আগবঢ়োৱাৰ উপৰি বিভিন্ন বিভিন্ন-অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি, সেই অনুষ্ঠানসমূহৰ বিকাশৰ দিশটো বিশেষ ভূমিকা লৈছিল। বিধায়কগৰাকীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে তামুলপুৰ সমষ্টিৰ বিধায়ক প্ৰয়াত লেহোৰাম বড়োৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে মুখ্যমন্ত্ৰীয়ে গুৱাহাটী উন্নয়ন, নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংঘাল, হস্ত-তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্মক ৰাজ্য চৰকাৰৰ হৈ বিধায়কগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়াত উপস্থিত থাকি শেষ শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে চৰকাৰী মৰ্যাদাৰে সম্পূৰ্ণ ক'ভিড প্ৰট'কল অনুসৰি প্ৰয়াত বিধায়ক গৰাকীৰ শেষকৃত সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে।

**পুঃডেঃ / বঃভাঃ**
**২৯/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in